**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-03-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা ঘোষণা কৰা হৈছে। দিছপুৰত অনুষ্ঠিত মন্ত্ৰী পৰিষদৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলযোগে এই কথা ঘোষণা কৰে। সেই অনুসৰি অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট ৰাণা প্ৰতাপ কলিতালৈ আগবঢ়োৱা হৈছে অসম বৈভৱ বঁটা। অসম সৌৰভ বঁটাৰ বাবে সংগীত শিল্পী দ্বিপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা চেত্ৰী আৰু টাটা কনচালটেঞ্চি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° এছ ৰামডুৰাইৰ নাম বিবেচনা কৰা হৈছে। আনহাতে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠানলৈ আগবঢ়োৱা হৈছে অসম গৌৰৱ বঁটা। এই প্ৰতিষ্ঠানকেইটা হৈছে কলিয়াবৰৰ চোৰেং এহেম, তিনিচুকীয়াৰ বাৰেকুৰি গাঁৱৰ হলৌ বান্দৰ সংৰক্ষণৰ বাবে অহৰ্নিশে কাম কৰি অহা ইকো-ডেভেলপ ছ'চাইটী আৰু বন্যহস্তীৰ হকে দীৰ্ঘদিনে কাম কৰি অহা নগাঁৱৰ হাতীবন্ধু। অহা ৩০ মাৰ্চত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই বঁটাসমূহ প্ৰদান কৰিব। সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বিবিন্ন স্থানত গঢ়ি উঠা কোচিং চেণ্টাৰসমূহ নিয়ন্ত্ৰণৰ বাবে এখন নতুন আইন আনিব বুলিও সদৰি কৰে। তেওঁ কয় যে কোচিং চেণ্টাৰসমূহক নিয়ন্ত্ৰণ কৰিব পৰাকৈ সম্প্ৰতি কোনো ব্যৱস্থা নাই। সেয়ে চলিত বিধানসভা অধিবেশনতে কোচিং চেণ্টাৰ নিয়ন্ত্ৰণৰ বাবে আছাম কোচিং ইনষ্টিটিউট বিধেয়ক উত্থাপন কৰা হ'ব।

আনহাতে, মেডিকেল শিক্ষাৰ বাবে প্ৰৱেশ পৰীক্ষা কেৱল চৰকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বায়োমেট্ৰিক পৰীক্ষাৰ পাছতহে এতিয়াৰে পৰা পৰীক্ষা হলত পৰিক্ষাৰ্থী প্ৰৱেশ কৰিব পাৰিব। এই বিষয়টো নেচনেল টেষ্টিং এজেঞ্চিক অৱগত কৰিবৰ বাবে মুখ্য সচিবক নিৰ্দেশ দিয়া বুলিও সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

চাহ জনগোষ্ঠীৰ লগতে অসমীয়া কলা-সংস্কৃতিৰ এটা পৰিচিত নাম ৰাম চাচনিলৈ অসম গৌৰৱ সন্মান আগবঢ়োৱাক লৈ ডিব্ৰুগড় চহৰত বিশেষ উৎসাহ পৰিলক্ষিত হৈছে। চাহ জনগোষ্ঠীৰ লোকসংগীতৰ প্ৰশিক্ষণ আৰু গৱেষণামূলক কামত জড়িত হৈ থাকি নতুন প্ৰজন্মক উদগনি দিয়া শ্ৰী চাচনি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত চাহ শ্ৰমিকৰ বিশেষ অনুষ্ঠান 'আচৰ'ৰ ঘোষক হিচাপে কৰ্মৰত আছিল। ১৯৭৭ চনত শিল্পীগৰাকীয়ে আকাশবাণীৰ আধুনিক গীতৰ শিল্পী হিচাপেও স্বীকৃতি লাভ কৰিছিল। সদ্য আয়োজিত ঝুমুইৰ বিনন্দিনী অনুষ্ঠানতো শ্ৰী চাচনিয়ে বিশেষ ভূমিকা পালন কৰিছিল।

ooooooo

অসম চলচ্চিত্র সমাজৰ উদ্যোগত অহা ১৪ মাৰ্চৰ পৰা তিতাবৰত দ্বিতীয় অসম আন্তঃৰাষ্ট্ৰীয় গ্ৰাম্য চলচ্চিত্র মহোৎসৱ অনুষ্ঠিত হ'ব। ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, ভাৰতীয় চলচ্চিত্র মহাসংঘ আৰু অসম ৰাজ্যিক চলচ্চিত্র বিত্ত আৰু উন্নয়ন নিগমৰ সহযোগত আয়োজিত এই মহোৎসৱক কেন্দ্ৰ কৰি অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ১৪ মাৰ্চৰ বিয়লি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই এই মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। দেশী-বিদেশী ১৪খন চলচ্চিত্র আৰু কেইবাখনো চুটি ছবি তথা তথ্যচিত্র মহোৎসৱত প্ৰদৰ্শন কৰা হ'ব। ৰীমা বৰাৰ ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত **অনুনাদ** ছবি প্ৰদৰ্শনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। কালি এখন সংবাদ মেলত চলচ্চিত্র সমাজৰ সাধাৰণ সম্পাদক ড০ জয়ন্ত মাধৱ দত্তই প্ৰকাশ কৰা মতে মহোৎসৱৰ তিনিটা দিনত তিনিখন বিশেষ কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত ৰাজ্যখনৰ চলচ্চিত্র জগতৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলৰ লগতে দেশৰ কেইবাগৰাকীও চলচ্চিত্র ক্ষেত্ৰৰ সন্মানীয় ব্যক্তিয়ে অংশ ল'ব।

০০০০০০০

কাজিৰঙা জাতীয় অৰ্কিড আৰু জৈৱ বৈচিত্র উদ্যানত কালি এটা সেউজ গৃহ মুকলি কৰা হয়। প্ৰকৃতিপ্ৰেমী প্ৰয়াত শান্তনু গোস্বামীৰ সোঁৱৰণত মুকলি কৰা সেউজ গৃহটোৰ লগতে উদ্যানখনত কালি দাতাৰ পৰিয়ালৰ পৰা বিভিন্ন প্ৰজাতিৰ শতাধিক অৰ্কিডৰো সংৰোপণ কৰা হয়। উল্লেখযোগ্য যে উদ্যান পৰিচালনা কৰা সমবায় সমিতিখনে কাজিৰঙা অৰ্কিড উদ্যানত বিভিন্ন প্ৰজাতিৰ অৰ্কিডৰ লগতে থলুৱা বাঁহ আৰু ধানৰ বিবিধ প্ৰজাতি, সাংস্কৃতিক বাদ্য যন্ত্ৰৰ পৰা আৰম্ভ কৰি বহু আপুৰুগীয়া সম্পদৰ সংৰক্ষণ আৰু প্ৰদৰ্শন কৰিছে।

০০০০০০০

নগাঁৱত বিশ্ব গ্লুকমা সপ্তাহ উপলক্ষে কালি এটা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। চহৰখনৰ প্ৰণৱ বৰুৱা উদ্যানৰ সমীপৰ পৰা আমোলাপট্টিলৈ উলিওৱা গ্লুকমা ৰোগৰ সজাগতা শীৰ্ষক পদযাত্ৰাত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত সংগীত শিল্পী তৰালী শৰ্মা, বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতি, ঢেকীয়াজুলি সম জিলাৰ সম আয়ুক্ত দ্যতিভা বৰা, ঢেকীয়াজুলিৰ খণ্ড উন্নয়ন বিষয়া হেমকান্ত বৰাকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এটা ব্যক্তিগত খণ্ডৰ চকু চিকিৎসা প্ৰতিষ্ঠানৰ উদ্যোগত অনুষ্ঠিত পদযাত্ৰাৰ পাছত আয়োজিত এখন সজাগতা সভাত বিশিষ্ট চকু চিকিৎসক ডাঃ পি কে গৌতমে গ্লুকুমা ৰোগৰ ভয়াৱহতাৰ বিষয়ে কয়, যে এই ৰোগ বংশানুক্ৰমে হোৱাৰ আশংকা অধিক। নীৰৱ ঘাতক স্বৰূপ এই ৰোগবিধৰ ক্ষেত্ৰত জনসাধাৰণ বিশেষকৈ ছল্লিছউৰ্ধৰ ব্যক্তিসকল সচেতন আৰু সজাগ হোৱা উচিত বুলিও চিকিৎসকগৰাকীয়ে মন্তব্য কৰে। উল্লেখযোগ্য যে কালিৰেপৰা ১৫ মাৰ্চলৈকে এই ৰোগৰ সজাগতাৰ বাবে বিশ্বজুৰি গ্লুকমা সপ্তাহ পালন কৰা হৈছে।

০০০০০০০

**সমাপ্ত**